**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 23-09 -2024
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN

# HEADLINES

**::::::::::::::::::**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰবাসী ভাৰতীয় সকলক ৰাষ্ট্ৰদূত হিচাপে অভিহিত কৰি কয় যে, তেওঁলোক সদায় দেশৰ আটাইতকৈ শক্তিশালী ব্ৰেণ্ড এম্বেছেডৰ।

২। প্ৰধানমন্ত্ৰীয়ে আজি নিউয়ৰ্কত কুৱেইটৰ যুৱৰাজ শ্বেইখ ছাবা অল-খালিদ অল-ছাবা আৰু নেপালৰ প্ৰধানমন্ত্ৰী কে পি শৰ্মা অ'লিৰ সৈতে দ্বিপাক্ষিক আলোচনাত মিলিত হ'ব।

৩। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু আমেৰিকাৰ ৰাষ্ট্ৰপতি জ' বাইডেনে তেওঁলোকৰ দ্বিপাক্ষিক আলোচনাত ভাৰতত নতুন ছেমি কণ্ডাক্টৰ নিৰ্মাণ উদ্যোগ স্থাপন কৰাৰ ক্ষেত্ৰত গ্ৰহণ কৰা ঐতিহাসিক সিদ্ধান্তৰ স্বাগতম জনায়।

৪। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে আজি ৰাজস্থানৰ জয়পুৰত এখন সৈনিক বিদ্যালয় উদ্বোধন কৰিব।

**আৰু**

৫। বাংলাদেশৰ বিৰুদ্ধে চলি থকা টেষ্ট শৃংখলাৰ দ্বিতীয়খন খেল অহা ২৭ ছেপ্তেম্বৰত আৰম্ভ হ'ব। দ্বিতীয়খন খেলৰ বাবে পূৰ্বৰ দলটোৰ কোনো সালসলনি কৰা হোৱা নাই।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰবাসী ভাৰতীয় সকলক ৰাষ্ট্ৰদূত হিচাপে অভিহিত কৰি কয় যে, তেওঁলোক সদায় দেশৰ আটাইতকৈ শক্তিশালী ব্ৰেণ্ড এম্বেছেডৰ। নিউয়ৰ্কৰ লং আইলেণ্ডৰ নাছাউ ক'লেছিয়ামত আয়োজিত এটা অনুষ্ঠানত ভাৰতীয় সম্প্ৰদায়ক সম্বোধন কৰি প্ৰধানমন্ত্ৰী মোদীয়ে এইদৰে কয়। ভাৰত-আমেৰিকা দ্বিপাক্ষিক সম্পৰ্কৰ ক্ষেত্ৰত প্ৰবাসী ভাৰতীয় সকলৰ ভূমিকাৰ শলাগ লৈ শ্ৰী মোদীয়ে কয় যে, বিশ্বৰ বাবে **এ আইৰ** অৰ্থ হৈছে কৃত্ৰিম বুদ্ধিমত্তা কিন্তু এই শব্দই আমেৰিকা-ভাৰতীয় ভাৱনাকো প্ৰতিফলিত কৰে বুলি তেওঁ বিশ্বাস কৰে। শ্ৰী মোদীয়ে প্ৰবাসী ভাৰতীয় সকলে আমেৰিকাক ভাৰতৰ সৈতে আৰু ভাৰতক আমেৰিকাৰ সৈতে সংযোজিত কৰিছে আৰু তেওঁলোকৰ দক্ষতা আৰু প্ৰতিভা অতুলনীয় বুলি উল্লেখ কৰে। প্ৰধানমন্ত্ৰীয়ে লগতে আমেৰিকালৈ আমন্ত্ৰণ জনোৱাৰ বাবে ৰাষ্ট্ৰপতি জ' বাইডেনৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশ কৰি এয়া ১৪০ কোটি ভাৰতীয়ৰ বাবে সন্মানৰ বিষয় বুলি মন্তব্য কৰে।

আনহাতে প্ৰধানমন্ত্ৰী মোদীয়ে বষ্টন আৰু ল'ছ এঞ্জেলেছত দুটা নতুন ভাৰতীয় বাণিজ্য দূতাবাস মুকলি কৰাৰ কথা ঘোষণা কৰে। তেওঁ কয় যে, এই বিকাশে আমেৰিকা যুক্তৰাষ্ট্ৰত প্ৰবাসী ভাৰতীয় সকলৰ সৈতে থকা সম্পৰ্কক সুদৃঢ় কৰাৰ ক্ষেত্ৰত ভাৰতৰ প্ৰতিশ্ৰুতিবদ্ধতাক প্ৰতিফলিত কৰে। উল্লেখযোগ্য যে ভাৰতৰ সম্প্ৰতি নিউয়ৰ্ক, আটলাণ্টা, চিকাগ', হিউষ্টন, ছেন ফ্ৰান্সিস্কো আৰু শ্বিতলত ছটা বাণিজ্য দূতাবাস আছে। শ্ৰী মোদীয়ে লগতে হিউষ্টন বিশ্ববিদ্যালয়ত তামিল অধ্যয়নৰ বাবে থিৰুৱাল্লুৱাৰ পীঠ মুকলি কৰাৰ কথাও ঘোষণা কৰে। অনুষ্ঠানত প্ৰধানমন্ত্ৰীয়ে ভাৰতক এখন উন্নত ৰাষ্ট্ৰ হিচাপে গঢ় দিয়াৰ বাবে **পুষ্প** মন্ত্ৰ প্ৰদান কৰে। পুষ্প মন্ত্ৰৰ পি-ৰ অৰ্থ হৈছে প্ৰগতিশীল ভাৰত, ইউ-ৰ অৰ্থ হৈছে অজেয় ভাৰত, এছ-ৰ অৰ্থ

হৈছে আধ্যাত্মিক ভাৰত, এইচ-ৰ অৰ্থ হৈছে মানৱতা প্ৰথম ভাৰত আৰু পি-ৰ অৰ্থ হৈছে সমৃদ্ধ ভাৰত। এই পাঁচটা স্তম্ভই একেলগে এখন বিকশিত ভাৰত নিৰ্মাণ কৰিব বুলি প্ৰধানমন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে।

আনহাতে দেশৰ স্পন্দনশীল গণতন্ত্ৰৰ কথা উল্লেখ কৰি প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে, শেহতীয়াকৈ ভাৰতে বিশ্বৰ সৰ্ববৃহৎ নিৰ্বাচন অনুষ্ঠিত কৰিলে। তেওঁৰ চৰকাৰ পুনৰ তৃতীয়বাৰৰ বাবে শাসনলৈ অহাৰ কথা উল্লেখ কৰ শ্ৰী মোদীয়ে কয় যে, তেওঁৰ মন আৰু লক্ষ্য সম্পূৰ্ণৰূপে স্বচ্ছ আৰু তেওঁ নিজৰ জীৱন সুশাসন তথা সমৃদ্ধিশালী ভাৰতৰ বাবে উৎসৰ্গা কৰিব। শ্ৰী মোদীয়ে কয় যে বিগত ১০ বছৰত জনসাধাৰণৰ ভাৰধাৰাৰ পৰিৱৰ্তন তথা চৰকাৰৰ প্ৰচেষ্টাৰ বাবে ২৫ কোটি লোক দৰিদ্ৰতাৰ পৰা মুক্ত হৈছে। তেওঁ লগতে ভাৰতত উন্নয়ন, এটা জনসাধাৰণৰ অভিযানস্বৰূপ হৈ পৰিছে আৰু প্ৰতিগৰাকী নাগৰিকেই এই অভিযানৰ অংশ বুলি মত প্ৰকাশ কৰে। শ্ৰী মোদীয়ে কয় যে, ভাৰত বৰ্তমান **সুযোগৰ ভূমিত** পৰিণত হৈছে আৰু দেশে এতিয়া সুযোগৰ বাবে অপেক্ষা নকৰে বৰঞ্চ সুযোগ সৃষ্টি কৰে।

ভাষণ প্ৰসংগত ভাৰতৰ 5G নেটৱৰ্কৰ কথা উল্লেখ কৰি প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে, কেৱল দুটা বছৰৰ ভিতৰতে দেশৰ 5G নেটৱৰ্ক বৰ্তমান আমেৰিকাৰ 5G নেটৱৰ্কৰ তুলনাত বৃদ্ধি পালে আৰু ভাৰতে বৰ্তমান মেড ইন ইণ্ডিয়া 6G নেটৱৰ্কৰ বাবে কাম কৰি আছে। আনহাতে সমগ্ৰ বিশ্বৰ তুলনাত ভাৰতৰ কাৰ্বন নিৰ্গমন নগন্য বুলি প্ৰধানমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। তেওঁ কয় যে, প্ৰকৃতিৰ প্ৰতি ভালপোৱা হৈছে ভাৰতীয় পৰম্পৰা, যিয়ে দেশক সৌৰ আৰু বতাহৰ শক্তিৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰাত নিৰ্দেশনা প্ৰদান কৰিছে।

ইয়াৰ পূৰ্বে প্ৰধানমন্ত্ৰীক আদৰণী জনোৱাৰ উদ্দেশ্যে এটা আকৰ্ষণীয় সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হয়। প্ৰায় ১৫ হাজাৰ লোকে এই অনুষ্ঠানত অংশগ্ৰহণ কৰে।

প্ৰধানমন্ত্ৰী মোদীয়ে আজি নিউয়ৰ্কত কুৱেইটৰ যুৱৰাজ শ্বেইখ ছাবা অল-খালিদ অল-ছাবাৰ সৈতে দ্বিপাক্ষিক আলোচনাত মিলিত হ'ব। প্ৰধানমন্ত্ৰীয়ে লগতে নেপালৰ প্ৰধানমন্ত্ৰী কে পি শৰ্মা অ'লিৰ সৈতেও আলোচনাত মিলিত হ'ব। শ্ৰী মোদীয়ে কালি মুখ্য কাৰ্যবাহী বিষয়া ঘূৰণীয়া মেজমেলত নতুন প্ৰযুক্তিৰ ক্ষেত্ৰত সহযোগিতা সন্দৰ্ভত ব্যৱসায়িক নেতাসকলৰ সৈতে বৈঠকত মিলিত হয়।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু আমেৰিকাৰ ৰাষ্ট্ৰপতি জ' বাইডেনে তেওঁলোকৰ দ্বিপাক্ষিক আলোচনাত ভাৰতত নতুন ছেমি কণ্ডাক্টৰ নিৰ্মাণ উদ্যোগ স্থাপন কৰাৰ ক্ষেত্ৰত গ্ৰহণ কৰা ঐতিহাসিক সিদ্ধান্তৰ স্বাগতম জনায়। বিদেশ পৰিক্ৰমা মন্ত্ৰালয়ে প্ৰকাশ কৰিছে যে, এই নতুন ছেমি কণ্ডাক্টৰ নিৰ্মাণ উদ্যোগে ৰাষ্ট্ৰীয় সুৰক্ষাৰ বাবে অত্যাধুনিক সংবেদন, যোগাযোগ আৰু বিদ্যুৎ শক্তি, পৰৱৰ্তী প্ৰজন্মৰ বাবে দূৰসংযোগ তথা সেউজ শক্তি প্ৰয়োগৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰিব। এই উদ্যোগ স্থাপন কৰাত ভাৰত ছেমি কণ্ডাক্টৰ অভিযানে সমৰ্থন আগবঢ়াব। তদুপৰি এই উদ্যোগ স্থাপনত ভাৰত ছেমি, থ্ৰী আৰ ডি আই টেক আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ মহাকাশ বাহিনীৰ কৌশলগত প্ৰযুক্তি অংশীদাৰিত্ব থাকিব।

ooooo

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে আজি ৰাজস্থানৰ জয়পুৰত এখন সৈনিক বিদ্যালয় উদ্বোধন কৰিব। এই সন্দৰ্ভত প্ৰতিৰক্ষা মন্ত্ৰালয়ে জনোৱামতে স্বেচ্ছাসেৱী অনুস্থান, ৰাজ্য চৰকাৰ আৰু ব্যক্তিগত বিদ্যালয়ৰ অংশীদাৰিত্বৰে সমগ্ৰ দেশতে ১০০খন নতুন সৈনিক বিদ্যালয় স্থাপন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। ইয়াৰ অংশ হিচাপে আজি জয়পুৰৰ সৈনিক বিদ্যালয়খন উদ্বোধন কৰা হ'ব। মন্ত্ৰালয়ে অংশীদাৰিত্ব পদ্ধতিৰ অধীনত শেহতীয়াকৈ ৪৫

খন নতুন সৈনিক বিদ্যালয় স্থাপনৰ বাবে অনুমোদন প্ৰদান কৰিছে। এই নতুন বিদ্যালয়সমূহে সৈনিক স্কুল সমিতিৰ তত্বাৱধানত কাম কৰিব আৰু নিয়মাৱলী মানি চলিব লাগিব।

০০০০০

কেন্দ্ৰীয় স্বাস্থ্যমন্ত্ৰী জে পি নাড্ডাই কৈছে যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ দূৰদৰ্শী নেতৃত্বত দেশৰ স্বাস্থ্য আন্তঃগাঁথনি বহু দূৰ আগবাঢ়ি গৈছে। সামাজিক মাধ্যম যোগে দিয়া এটা বাৰ্তাত নাড্ডাই কয় যে চৰকাৰে সকলোৰে প্ৰতি স্বাস্থ্যসেৱাৰ প্ৰতিশ্ৰুতিৰে প্ৰধানমন্ত্ৰী জন আৰোগ্য যোজনা মুকলি কৰিছিল। আৰ্থিক সমস্যাৰ বাবে যাতে দেশৰ কোনো লোক চিকিৎসা সেৱাৰ পৰা বঞ্চিত নহয়, তাৰ প্ৰতি লক্ষ্য ৰাখি চৰকাৰে বিশ্বৰ সৰ্ববৃহৎ সম্পূৰ্ণ বিত্তীয় সাহায্যযুক্ত স্বাস্থ্য বীমা আঁচনিখন আৰম্ভ কৰিছে। তেওঁ কয় যে চৰকাৰে সমগ্ৰ দেশজুৰি জৰায়ুৰ কৰ্কটৰোগ আগতীয়াকৈ ধৰা পেলোৱা আৰু চিকিৎসাৰ বাবে বৃহৎ পৰিসৰত পৰীক্ষা কাৰ্যসূচী চলাই আছে। জৰায়ুৰ কৰ্কটৰোগ নিৰ্মূল আৰু মহিলাৰ স্বাস্থ্য উন্নত কৰাৰ বাবে এই পৰীক্ষা অতি গুৰুত্বপূৰ্ণ। সকলো নাগৰিকৰ বাবে অত্যাৱশ্যকীয় স্বাস্থ্যসেৱা নিশ্চিত কৰাৰ বাবে প্ৰধানমন্ত্ৰী জন ঔষধি কেন্দ্ৰ স্থাপনৰ জৰিয়তে সমগ্ৰ দেশতে সুলভ মূল্যৰ তথা উচ্চমানৰ ঔষধ উপলব্ধ কৰাটো চৰকাৰৰ অন্যতম গুৰুত্বপূৰ্ণ লক্ষ্য বুলিও বাৰ্তাটোত স্বাস্থ্যমন্ত্ৰী গৰাকীয়ে উল্লেখ কৰে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৪৫ সংখ্যক দবা অলিম্পিয়াডত মুকলি আৰু মহিলা দুয়োটা শাখাতে সোণৰ পদক জয় কৰা ভাৰতীয় দলটোক প্ৰশংসা কৰিছে। তেওঁ খেলুৱৈসকলক তেওঁলোকৰ উল্লেখযোগ্য কৃতিত্বৰ বাবে অভিনন্দন জনায়। সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত মোদীয়ে কয় যে এই কৃতিত্বই দেশৰ ক্ৰীড়া ক্ষেত্ৰত এক নতুন অধ্যায়ৰ সূচনা কৰিছে। তেওঁ আশা প্ৰকাশ কৰে যে এই সফলতাই দবা খেলৰ নতুন প্ৰজন্মক খেলত পাৰদৰ্শিতা দেখুৱাবলৈ অনুপ্ৰাণিত কৰিব।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে শ্ৰীলংকাৰ ৰাষ্ট্ৰপতি নিৰ্বাচনত বিজয় সাব্যস্ত কৰাৰ বাবে অনুৰা দিচ্ছানায়কেক অভিনন্দন জনাইছে। এটা বাৰ্তাত শ্ৰী মোদীয়ে কয় যে ভাৰতৰ চুবুৰীয়া প্ৰথম আৰু VISION SAGAR দৃষ্টিভংগীত শ্ৰীলংকাই সদায়ে বিশেষ স্থান লাভ কৰি আহিছে। প্ৰধানমন্ত্ৰী গৰাকীয়ে লগতে কয় যে শ্ৰীলংকাৰ নৱনিৰ্বাচিত ৰাষ্ট্ৰপতিগৰাকীৰ সৈতে ঘনিষ্ঠভাৱে কাম কৰি জনসাধাৰণ আৰু সমগ্ৰ অঞ্চলটোৰ সুবিধাৰ বাবে বহুমুখী সহযোগিতা আৰু অধিক শক্তিশালী কৰিবলৈ তেওঁ আগ্ৰহী।

০০০০০

বাংলাদেশৰ বিৰুদ্ধে চলি থকা টেষ্ট শৃংখলাৰ দ্বিতীয়খন খেল অহা ২৭ ছেপ্তেম্বৰত আৰম্ভ হ'ব। দ্বিতীয়খন টেষ্টৰ বাবে পূৰ্বৰ দলটোৰ খেলুৱৈৰ কোনো সালসলনি কৰা হোৱা নাই বুলি বাছনি সমিতিয়ে জানিবলৈ দিছে। ২৭ তাৰিখৰ পৰা কানপুৰত অনুষ্ঠিত হ’ব লগা খেলখনতো ভাৰতে আধিপত্য বিস্তাৰ কৰিব পাৰিব বুলি সমিতিয়ে আশা প্ৰকাশ কৰিছে। উল্লেখযোগ্য যে প্ৰথম টেষ্টৰ চতুৰ্থ দিনটোত কালি ভাৰতে বাংলাদেশক ২৮০ ৰানৰ বিশাল ব্যৱধানত পৰাস্ত কৰি দুখনীয়া শৃংখলাটোত ১-০ৰ অগ্ৰগতি লাভ কৰে।

দ্বিতীয় টেষ্টৰ বাবে ভাৰতীয় দলটো হৈছে- অধিনায়ক ৰোহিত শৰ্মা, যশস্বী জয়ছোৱাল, শুভমন গিল, বিৰাট কোহলী, কে এল ৰাহুল, চৰফৰাজ খান, ঋষভ পন্ত, ধ্ৰুৱ জুৰেল, ৰবিচন্দ্ৰন অশ্বিন, ৰবীন্দ্ৰ জাদেজা, অক্ষৰ পেটেল, কুলদীপ যাদৱ, মহম্মদ চিৰাজ, আকাশ দীপ, যশপ্ৰীত বুমৰাহ, আৰু যশ দয়াল।

ooooo

সমাপ্ত